## ● স্বতন্ত্ৰতা (Liberty) ●

### ❑ স্বতন্ত্ৰতাৰ অৰ্থ (Meaning of Liberty) ঃ

'স্ব' আৰু 'তন্ত্ৰ' এই দুটা শব্দ লগ লাগি 'স্বতন্ত্ৰ' শব্দটো গঠিত হৈছে। 'স্ব' শব্দই নিজক বুজায়, 'তন্ত্ৰ' মানে হৈছে অধীন। সেইবাবে, 'স্বতন্ত্ৰ' মানে নিজৰ অধীন হোৱা বা আনৰ অধীনতাৰপৰা মুক্ত হোৱা বুজায়। গতিকে শব্দগতভাৱে 'স্বতন্ত্ৰতা' ই নিজৰ ইচ্ছা অনুসৰি কাম কৰাৰ অবাধ অধিকাৰ বুজায়। অবাধে কাম কৰাৰ সুযোগ লাভ কৰিলে মানুহে স্বাভাৱিকতে ন্যায় অন্যায় পাহৰি যে নিজৰ ভাল লগা যিকোনো কাম কৰিবলৈ আৰম্ভ কৰে। ফলত, তেনে ক্ষমতা অনতিপলমে স্বেচ্ছাচাৰিতা আৰু উৎপীড়নত পৰিণত হয়গৈ। অবাধ স্বাধীনতা ভোগ কৰাটো সকলোৰে পক্ষে সম্ভৱ হ'ব নোৱাৰে। অবাধ স্বাধীনতাই ক্ষমতাশালীক সুবিধা দিয়ে কিন্তু দুৰ্বলসকলক অসুবিধাত পেলায়। উদাহৰণস্বৰূপে, যান-বাহনত ভ্ৰমণ কৰোঁতে এজনৰ ধূমপানৰ স্বতন্ত্ৰতাই আন এজনৰ স্বচ্ছন্দভাৱে ভ্ৰমণ কৰাৰ স্বাধীনতাত বাধা দিব পাৰে। অন্যান্য ক্ষেত্ৰতো শক্তিশালীৰ স্বতন্ত্ৰতাই দুৰ্বলসকলক অসুবিধাত পেলাব পাৰে। সমাজৰ সকলোৰে বাবে প্ৰকৃত স্বতন্ত্ৰতা উপভোগৰ সুবিধা নাথাকিলে সামাজিক উন্নতি ব্যাহত হয়। সেইবাবে, সকলোৰে পক্ষে স্বতন্ত্ৰতা ভোগৰ পৰিবেশ গঢ়ি তোলাৰ বাবে কেতবোৰ নিয়ন্ত্ৰণৰ আৱশ্যক হয়; প্ৰকৃতাৰ্থত এই নিয়ন্ত্ৰিত স্বাধীনতাই স্বতন্ত্ৰতা।

### ❑ স্বতন্ত্ৰতাৰ সংজ্ঞা (Definition of Liberty) ঃ

ৰাজনীতি বিজ্ঞানীসকলে স্বতন্ত্ৰতাৰ ভালেমান সংজ্ঞা আগবঢ়াইছে। ছিলি (Seeley)-ৰ মতে, "স্বতন্ত্ৰতা অতিৰিক্ত শাসনৰ বিৰোধী বস্তু।"[1] ম্যাককনি (Mckechnie)-ৰ ভাষাত, "সকলো বাধাৰ অভাৱেই স্বতন্ত্ৰতা নহয়, বৰঞ্চ অযুক্তিসংগত (বাধা) বোৰৰ সলনি যুক্তি সংগতবোৰ ব্যৱহাৰ কৰাটোহে।"[2] মহাত্মা গান্ধীৰ স্বতন্ত্ৰতাৰ ধাৰণাও প্ৰায় একে ধৰণৰে। তেওঁৰ মতেও, "স্বতন্ত্ৰতাই বাধাৰ অভাৱ নুবুজায়, কিন্তু ই ব্যক্তিত্বৰ উৎকৰ্ষ সাধনত হে নিহিত থাকে।"*[3]

ওপৰৰ সংজ্ঞাবোৰৰপৰা *স্বতন্ত্ৰতাৰ দুটা মূল বৈশিষ্ট্য দেখা যায়।* যেনে—(১) স্বতন্ত্ৰতা মানে বাধা বা সংযমৰ অভাৱ নহয় আৰু (২) স্বতন্ত্ৰতাই ব্যক্তি আৰু সমাজৰ উৎকৰ্ষৰ পৰিৱেশ তৈয়াৰ কৰে।

Scanned with CamScanner

**❑ নাগৰিকসকলৰ স্বতন্ত্ৰতা ৰক্ষাৰ উপায় (Means of Safeguarding Liberty of the people) ঃ**

নাগৰিকসকলৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে অতি পুৰণি কালৰেপৰা পণ্ডিতসকলে চিন্তা কৰা দেখা যায়। জন্মতে স্বাধীন আৰু পৰৱৰ্তী কালত শিকলিবদ্ধ হৈ পৰা ব্যক্তিৰ স্বতন্ত্ৰতা ৰক্ষাৰ উপায় হিচাপে ৰুছোৱে চৰকাৰক "সাধাৰণ ইচ্ছাৰ" বহতীয়া কৰিব খুজিছিল। নৈৰাজ্যবাদীসকলে ৰাষ্ট্ৰৰ বিলোপ সাধন কৰি আৰু ব্যক্তিবাদীসকলে ৰাষ্ট্ৰৰ ক্ষমতা নিম্নতম পৰ্যায়লৈ অৱনমিত কৰি জনসাধাৰণৰ স্বতন্ত্ৰতা ৰক্ষা কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰত ব্যক্তি স্বতন্ত্ৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তলত দিয়াবোৰে ব্যক্তি-স্বতন্ত্ৰতা ৰক্ষাত সহায় কৰে।

১। **আইন** (Law) ঃ আইনে স্বতন্ত্ৰতা ৰক্ষাৰ পৰিৱেশৰ সৃষ্টি কৰে বুলি ওপৰত দেখা গৈছে। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰত চৰকাৰ আৰু আন ব্যক্তিবৰ্গৰ দ্বাৰা যাতে কাৰো স্বতন্ত্ৰতাত বাধাৰ সৃষ্টি হ'ব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন কৰা হয়। অৱশ্যে সকলো আইন ভাল নহ'ব পাৰে আৰু কেৱল আইনৰ জৰিয়তে ব্যক্তি স্বতন্ত্ৰতা ৰক্ষা নপৰিবও পাৰে। সেয়েহে অন্যান্য কেতবোৰ উপাদানৰো আৱশ্যকতা অনুভৱ কৰা হয়।

২। **সংবিধান** (Constitution) ঃ সংবিধান ৰাষ্ট্ৰৰ মৌলিক আইন; চৰকাৰ, ব্যক্তি আৰু বিষয়া

সকলোৱে সংবিধান মানি চলিবলৈ বাধ্য। সংবিধানত চৰকাৰৰ বিভিন্ন অংগ আৰু বিষয়ববীয়াসকলৰ ক্ষমতাবোৰ পুংখানুপুংখভাৱে লিপিবদ্ধ কৰি ৰখাৰ ফলত সিবিলাকে নিজৰ ক্ষমতা বৃদ্ধি কৰি ব্যক্তি স্বতন্ত্ৰতাত হস্তক্ষেপ কৰাৰ সুবিধা পাব নোৱাৰে। তেনে কৰিলে সংবিধান অৱমাননা কৰাৰ অভিযোগত তেওঁলোক নিজেই ক্ষমতাচ্যুত হ'বই।

**৩। ক্ষমতাৰ বিকেন্দ্ৰীকৰণ** (Decentralisation of Powers) ঃ সাংবিধানিক ব্যৱস্থাৰ জৰিয়তে ৰাষ্ট্ৰৰ সকলোবোৰ ক্ষমতা কেন্দ্ৰীয় কোনো এটা কৰ্তৃপক্ষৰ হাতত কেন্দ্ৰীভূত নকৰি বিভিন্ন স্তৰত সিঁচৰতি ৰাষ্ট্ৰৰ সকলোবোৰ ক্ষমতা কেন্দ্ৰীয় কোনো এটা কৰ্তৃপক্ষৰ হাতত ... হৈ বহু কৰ্তৃপক্ষৰ হাতত ভাগ ভাগ কৰি ৰখাকে ক্ষমতাৰ বিভাজন নীতি বুলি কোৱা হয়। জনসাধাৰণৰ স্বতন্ত্ৰতা সুৰক্ষিত কৰাৰ বাবে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ অতিশয় আৱশ্যকীয়। ক্ষমতাই মানুহক অত্যুৎসাহী কৰে। কোনো সংস্থান বা ব্যক্তিয়ে অবাধিত ক্ষমতাৰ অধিকাৰী হ'ব পাৰিলে নিজৰ ক্ষমতাৰ সীমাবদ্ধতা পাহৰি অত্যাচাৰী হৈ উঠাৰ প্ৰৱণতা লাভ কৰে। সেয়ে গণতান্ত্ৰিক ব্যৱস্থাই ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ পৃষ্ঠপোষকতা কৰে। ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ফলত কোনো ব্যক্তি বা সংগঠনে বিশেষ ক্ষমতা লাভ কৰি অত্যাচাৰী হৈ উঠিব নোৱাৰে আৰু জনসাধাৰণৰ স্বতন্ত্ৰতা ৰক্ষা পৰে।

**৪। ক্ষমতাৰ পৃথকীকৰণ** (Separation of Powers) ঃ ক্ষমতাৰ পৃথকীকৰণ ব্যক্তি স্বতন্ত্ৰতা ৰক্ষাৰ এটা উপায় হিচাপে বিশেষ উল্লেখযোগ্য। চৰকাৰৰ বিধায়ী, কাৰ্যবাহী আৰু ন্যায়িক ক্ষমতা তিনিবিধ তিনিটা পৃথক আৰু স্বাধীন অংগৰ হাতত অৰ্পণ কৰিলে একেজন ব্যক্তি বা একেটা ব্যক্তি সমষ্টি অত্যাধিক শক্তিশালী হৈ উঠি ব্যক্তি স্বতন্ত্ৰতা হৰণ কৰিব পৰা ক্ষমতা লাভ কৰিব নোৱাৰে। তাৰ ফলত জনসাধাৰণৰ স্বতন্ত্ৰতা ৰক্ষা পৰে।

**৫। ন্যায়পালিকাৰ স্বতন্ত্ৰতা** (Independence of Judiciary) ঃ স্বাধীন আৰু নিৰপেক্ষ ন্যায়পালিকা ব্যক্তি স্বতন্ত্ৰতাৰ বাবে অতিশয় আৱশ্যকীয়। তেনে ন্যায়পালিকাই হে চৰকাৰী বিষয়া আৰু চৰকাৰৰ অযথা হস্তক্ষেপৰপৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ সক্ষম হয়। সেইবাবে সকলোবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰতে ন্যায়পালিকাৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে ভালেমান ব্যৱস্থা লোৱা হৈছে।

**৬। সংবিধানত মৌলিক অধিকাৰ সন্নিবিষ্টকৰণ** (Incorporation of Fundamental Rights in the Constitution) ঃ সংবিধানত নাগৰিকসকলৰ বাবে মৌলিক অধিকাৰ সন্নিবিষ্ট কৰিলে তেওঁলোকৰ স্বতন্ত্ৰতা ৰক্ষাৰ সহায়ক হয়। চৰকাৰী কৰ্তৃপক্ষই সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰত হস্তক্ষেপ কৰিব নোৱাৰে আৰু কৰিলেও ন্যায়পালিকাই তেনে কাৰ্যৰ বিৰুদ্ধে ৰায়দান কৰি ব্যক্তিক ৰক্ষণাবেক্ষণ দিবলগীয়া হয়।

**৭। আইনৰ শাসন** (Rule of Law) ঃ আইনৰ শাসন মানে চৰকাৰী কৰ্মচাৰী আৰু সাধাৰণ নাগৰিকসকলৰ বাবে একে ধৰণৰ আইন আৰু আদালতৰ ব্যৱস্থা বুজায়। আইনৰ শাসনে চৰকাৰী বিষয়াসকলক বিশেষভাৱে গ্ৰাহ্য কৰি তেওঁলোকক বেলেগ আইনৰ অধীনত ৰখাৰ পৃষ্ঠপোষকতা নকৰে। ফলত, সিবিলাকে নিজৰ ক্ষমতাৰ অপ-ব্যৱহাৰ কৰি জনসাধাৰণৰ স্বতন্ত্ৰতাত হস্তক্ষেপ কৰিবৰ সাহস নকৰে।

**৮। শক্তিশালী বিৰোধী দল** (Powerful Opposition Party) ঃ ৰাষ্ট্ৰত বিৰোধী দল শক্তিশালী নহ'লে ক্ষমতাধিষ্ঠ দলে যি ইচ্ছা কৰে তাকেই কৰিব পাৰে। সেইবাবে, জন-স্বতন্ত্ৰতা ৰক্ষাৰ বাবে বিৰোধীদল শক্তিশালী হোৱা উচিত। বিৰোধী দলে জনসাধাৰণৰ স্বতন্ত্ৰতাত হস্তক্ষেপৰ যিকোনো প্ৰচেষ্টাৰ বিৰোধিতা কৰি স্বতন্ত্ৰতা বাহাল ৰাখিব পাৰে।

**৯। জন সচেতনতা** (Vigilance of the People) ঃ জনসাধাৰণৰ স্বতন্ত্ৰতা ৰক্ষাৰ বাবে আটাইতকৈ বেছি আৱশ্যকীয় বস্তুটো হৈছে তেওঁলোকৰ নিজৰ সজাগতা। জনসাধাৰণ নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সচেতন হ'লে, কোনো চৰকাৰ বা কৰ্তৃপক্ষই নাইবা বিষয়া আদিয়ে তেওঁলোকৰ স্বতন্ত্ৰতাত হস্তক্ষেপ কৰাৰ সাহস নকৰে। সেইবাবে, 'চিৰ জাগ্ৰত সজাগতা স্বতন্ত্ৰতাৰ মূল্য' বুলি কোৱা হৈছে। ন্যায়াধীশ হ্যাণ্ড (Justice Hand) কৈছিল, "স্বতন্ত্ৰতা নৰ আৰু নাৰীসকলৰ অন্তৰত থাকে, যেতিয়া

Scanned with CamScanner